সকলো ধৰণৰ প্ৰশংসা সেই মহান সত্ত্বাৰ বাবে, যিয়ে চয়তানৰ এনেকুৱা চক্ৰান্ত তথা কুমন্ত্ৰণাক কল্পনাতেই সীমাবদ্ধ কৰি ৰাখিছে।

ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ হে আল্লাহৰ ৰাছুল! আমাৰ মাজৰ
কাৰোবাৰ মনত এনেকুৱা কথা উদ্ভৱ হয়, যিবোৰ কথা তেওঁ মুখেৰে প্ৰকাশ কৰাতকৈ নিজকে
জুইত পুৰাই এঙাৰ হৈ যোৱাক উত্তম বুলি ভাবে। এই কথা শুনি তেখেতে ক'লেঃ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ, সকলো ধৰণৰ প্ৰশংসা সেই মহান সত্ত্বাৰ বাবে, যিয়ে চয়তানৰ এনেকুৱা চক্ৰান্ত তথা কুমন্ত্ৰণাক কল্পনাতেই সীমাবদ্ধ কৰি ৰাখিছে।
[ছহীহ] [(আবু দাঊদ, নাছায়ী ফিল কুবৰা)]

এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ হে আল্লাহৰ ৰাছুল! আমাৰ মাজৰ কাৰোবাৰ মনত এনেকুৱা কিছুমান বিষয় উদ্ভৱ হয়, যিবোৰ বৰ মাৰাত্মক, এনেকুৱা কথা মুখেৰে প্ৰকাশ কৰাতকৈ জ্বলি পুৰি ছাই হৈ যোৱাই উত্তম। এই কথা শুনি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে দুবাৰকৈ তাকবীৰ পাঠ কৰিলে আৰু আল্লাহৰ প্ৰশংসা কৰিলে যে, আল্লাহে চয়তানৰ এই চক্ৰান্তক কল্পনাৰ মাজতেই সীমাবদ্ধ কৰি ৰাখিছে।

https://sunnah.global/hadeeth/as/show/65012